


# শান্তিৰ সন্ধানত

**ৰাজেশ উপাধ্যায়**
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা শাখা)

চাৰিওফালে আৰ্তনাদ
হাঁহাকাৰ কৰিছে পৃথিৱীয়ে,
হত্যা, হিংসাৰে জৰ্জৰিত
সমগ্ৰ মানৱ জাতি
সংশয় আজি ঘৰে ঘৰে
সংশয় আজি
মানুহৰ মনে মনে,
ক'ত কেতিয়া কি যে হ'ব
নিৰাপত্তাহীনতাত ভুগিছে
সমস্ত জনগণে
শান্তি ... তুমি আছা ক'ত?
আহা ... আহা অবিলম্বে
পুলকিত কৰা সোণৰ অসম
আৰোগ্য হওঁক আক্ৰান্তৰ জখম
সিঁচি দিয়া তোমাৰ বাণী,
মৰম ভালপোৱাৰ গুণগুণনি
বিয়পাই দিয়া
ইতি হওঁক মানুহৰ দুখ যন্ত্ৰণা
চৌদিশে বিয়পক তোমাৰেই সুৰৰ মূৰ্চ্ছনা।।

# মনমোহিনী

**প্ৰিয়ংকাতৰা ৰাভা**
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা শাখা)

দুধনৈ মহাবিদ্যালয়,
তোমাক জনাও পোনতে মোৰ সাদৰ প্ৰণিপাত।
তোমাৰ অপূৰ্ব সৌন্দৰ্যই
মোক কৰি তুলিছে মোহিত
মনমোহিনী
তোমাৰ কোলাতেই উমলি টনকিয়াল কৰিম
মোৰ শিক্ষাৰ ভড়াল
বিভিন্ন গছ-গছনি, পুখুৰীৰে
তুমি সঁচাই ৰূপত বিনন্দীয়া।
য'লৈকে যাওঁ
তাতেই শুনো
তোমাৰেই ৰূপৰ প্ৰশংসা
তোমাৰ প্ৰশংসাই
মোক কৰি তোলে আনন্দিত
গৰ্বিত মনেৰে মই মুখৰ হওঁ
আৰু অধিক প্ৰশংসাত
গাওঁ তোমাৰ সৌন্দৰ্য্যৰ গাঁথা
আশা কৰো চিৰদিন যেন
তোমাৰ অক্ষয় অপৰূপ সৌন্দৰ্য্যই
সকলোকে কৰি থাকে মুগ্ধ
হে দুধনৈ মহাবিদ্যালয়,
শেষত পুনৰ জনাও তোমাক সাদৰ প্ৰণাম।।
তোমাৰ চৰণ ধূলিৰ স্পৰ্শতেই যাতে
জীৱন সংগ্ৰামৰ পথত হ'ব পাৰো আগুৱান
তাৰ বাবে বিচাৰিছো
তোমাৰ স্নেহ আশীৰ্বাদ !!



## আমাৰ মহাবিদ্যালয়খনি

**অমৰজ্যোতি দৈমাৰী**
স্নাতক চতুৰ্থ ষান্মাসিক (কলা শাখা)

দুধনৈ কলেজ
সৌন্দৰ্যৰ ভঁৰাল
সকলোৱে কয়
দেখি লাগে ভাল
উত্তৰ-পূৱত আছে
এটি শুৱনি পুখুৰী
তাৰ পাৰত এখন্তেক বহি
সকলোৱে হয় সুখী
পশ্চিম কোণত থকা
ছোৱালী হোষ্টেল আৰু
ওচৰতে থকা চোম বাগানে
কিবা যেন কৈ যায় মৃদু স্বৰত
আমাৰ সকলোৰে কাণে কাণে
মহাবিদ্যালয়ৰ সুন্দৰ মুখ্য
বিল্ডিং দুটিয়ে
সকলোকে কৰি
তোলে মুগ্ধ
উত্তৰকোণত থকা
দিনৰ ব্যস্ত খেলপথাৰখনি
নিশাৰ ভাগত হৈ পৰে নিস্তব্ধ।

## সেউজ সুন্দৰী

**জ্যোৎস্না সুত্ৰধৰ**
স্নাতক দ্বিতীয় ষান্মাসিক (কলা শাখা)

চৌদিশ সেউজীয়া আমাৰ মহাবিদ্যালয়ৰ
সেউজীয়া বহল খেলপথাৰ।
দুয়োকাষে দুটি ডাঙৰ অট্টালিকা
মাজত স্থান মহাবিদ্যালয় পতাকাৰ।।
শুৱানি মহাবিদ্যালয়ৰ মনোমোহা পুখুৰীটি
তাতে খেলা কৰে মাছে।
গছৰ পাতবোৰ ঘন সেউজীয়া
তলত সেউজীয়া ঘাঁহনি আছে।।
মহাবিদ্যালয়ৰ সকলো ছাত্ৰ ছাত্ৰীয়ে
পৰিধান কৰে একে সাজ পাৰ।
আঁটিকৈ ধুনীয়া আমাৰ মহাবিদ্যালয়
ক'তো দেখা নাই সৌন্দৰ্য্যৰ এনে মহাভাৰ।।
মহাবিদ্যালয় চৌহদৰ চৌদিশ সেউজ
যিহেতু ই গছ গছনিৰে ভৰা
সেয়েহে ইমান সেউজীয়া সেউজীয়া
সেউজীয়াৰে যেন আমাৰো মন ভৰা।।



# প্ৰকৃতি

**ৰিম্পী কৰ্মকাৰ**
স্নাতক প্ৰথম ষাণ্মাসিক (কলা শাখা)

প্ৰকৃতিৰ শোভা অতি বিতোপন
ৰাতিপুৱাৰ কোমল ৰ'দ
আৰু তলসৰা শেৱালি
ধৰণীৰ শুকুলা চাদৰ
শেৱালীয়েই নেকি
শৰতৰ পাৰিজাত পাহি
বিলাইছে সুগন্ধি মৰতত আহি
অস্তগামী সুৰুজে ৰাঙলী কৰে আকাশ
প্ৰকৃতিৰ গছ-লতা-বন
নীলা আকাশ আছে দিগন্ত বিয়পি
ৰাতি জিলিকে অলেখ তৰালি
প্ৰকৃতিৰ শৰৎ আৰু বসন্ত ঋতুৰে
আমাৰ মন পেলায় মুহি
আকৌ কেতিয়াবা আহে
প্ৰকৃতিৰ বুকুত ভয়ংকৰ প্ৰলয়
যেতিয়া আতংকত কপি উঠে মন
প্ৰচণ্ড বেগত ধুমুহা আহিলে
উভালি পেলায় প্ৰকাণ্ড গছ
কেতিয়াবা আহে ভয়াবহ ৰূপত বাৰিষাৰ ঢল
উটুৱাই নিয়ে কিমান মানুহ আৰু ঘৰ
কেতিয়াবা আহে আটাইতকৈ ভয়লগা
ভুইকঁপৰ জোকাৰণি,
নিমিষতে ধ্বংস হয় জীৱজগত আৰু মানুহৰ ঘৰ
নিদিবা প্ৰভূ প্ৰলয়ংকৰী ভুঁইকপ
নকৰিবা ধ্বংস তোমাৰ সৃষ্টি
এইখনি জীৱ জগত
সেয়েহে কাতৰে জনাইছো তোমাক
নিদিবা নিদিবা প্ৰলয়ংকাৰী ভূঁইকপ
দিবা মাথো গছ লতাৰ সেউজ-সপোন
ফুল ফলৰ সুগন্ধ
আৰু পক্ষীৰ কলৰৱ।



# মোৰ সপোনৰ দুধনৈ কলেজ

**ধনমণি নাথ**
স্নাতক ষষ্ঠ যাণ্মাসিক (কলা শাখা)

মোৰ সপোনৰ দুধনৈ কলেজ
যিয়ে বিলায় অফুৰন্ত নলেজ
পূৱে ৰাজ আলি
পশ্চিমে গাঁও শিয়ালমাৰী
উত্তৰ পিনে আছে
আমাৰ গুৰু সৱৰ ঘৰ বাৰী
এপ্ৰোচ ৰোডৰ দুয়োফালে আছে
কত যে চেগুণৰ শাৰী,
তলেৰে যায় নিতৌ
নিউ মডেলৰ গাড়ী
অশ্বখুৰা আকৃতিৰ
মাছেৰে ভৰা পুখুৰীটি
এজাৰ ফুলৰ গছে আছে
চৌ দিশ আৱৰি
পদূলি মুখৰ খেলপথাৰখনি
কৰা হয় অতি যতন
কাৰণ প্ৰায়েই হৈ থাকে তাত
নানা ধৰণৰ অভিৱৰ্তন।
পশ্চিমত আৰু আছে
ছাত্ৰীৰ নিবাস,
সীমা চুই আছে বিবিধ গছ-গছনি
বিলাই আছে সুৱাস।
উত্তৰ পূৱত আছে
ছাত্ৰৰ আবাস ভৱন
গা চুই আছে এখনি
সোণালী সূতা উৎপাদনকাৰী
পলু পালনৰ বাগান।
এয়ে মোৰ সপোনৰ দুধনৈ কলেজ
বহু আশা লৈ ইয়ালৈ আহিছো
বুটলিবলৈ নলেজ।।

# অপৰূপা

জ্যোতি সাহা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

অনিন্দিতা তুমি দুধনৈ মহাবিদ্যালয়
জ্ঞানদায়িনী, জ্ঞানৰ সাগৰ তুমি
তোমাৰ কাষ চাপিলে দূৰ হয় মনৰ ভয়
তুমিয়েই কৰা হৃদয় জয়

বিভিন্ন ৰঙৰ প্ৰাকৃতিক
সামগ্ৰীৰে ৰঙীন তুমি
তোমালৈ চালে জীৱন নতুন ৰঙেৰে হয় ৰঞ্জিত
তুমিয়ে বিলোৱা জ্ঞানৰ জ্যোতি,
তুমিয়েই সৌন্দৰ্যৰ অবিৰত গতি।
শিক্ষাৰ্থীয়ে তোমালৈ চাই
নতুন স্বপ্ন ৰচে
তোমাক কাষতে পাই
অমৃত কুম্ভ সমান জ্ঞান কৰে
নয়ন ভৰি চালেও তোমাৰ সৌন্দৰ্য
পুনৰ চাবলৈ কিয় জানো মন যায়
এটি মাথো অনুভৱেই হৃদয় চুই যায়
অপৰূপা তুমি
তোমাৰ সমান যেন কতোৰেই নাই।



# ৰূপালী নিশা

ৰবিতা ৰাভা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

কুঁৱলীৰে আবৰা জোনাক নিশা
ৰূপালী ৰাতি
তিৰবিৰ তৰাবোৰে
মাৰি থাকে হাঁহি
জোনাকে গীত গায়
ৰূপালী ৰাতি
সংগীতৰ মূৰ্ছনাত
আকাশৰ মেঘ তৰাই
ফুৰি থাকে উৰি উৰি।
ৰূপালী চেকুৰাৰে পোত খাই থাকে
গছৰ পাত, ফুল, ফল আৰু গুৰি।
আকাশৰ আছে উৰিবলৈ
দুখনি ডেউকা ফুৰিবলৈ
জোনাকী সন্ধিয়া
এনে ভাব হয় যেন
উৰি উৰি যাম মইয়ো
দুকাষে দুখনি ডেউকা লৈ
কোচ ভৰাই ৰূপালী চেকুৰা বুটলিবলৈ....।

# প্ৰেৰণাময়ী

**হেমপ্ৰভা ৰাভা**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

দুধনৈ মহাবিদ্যালয়
তুমি মোৰ সবাতোকৈ আপোন
তোমাৰ কোলাতেই উমলি
ৰচো মই অযুত সপোন।
চাৰিও দিশৰ সেউজ পৰিৱেশ
লগতে জ্ঞানৰ আলোকে
চৰাইছে সোণত সুৰগা
তোমাৰ জ্ঞান জ্যোতিত
জাহ যাব খোজা
মই এটি সামান্য ছগা
তোমাৰ চৰণ ধূলিতে যেন বিচাৰি পাও
তুমি প্ৰেৰণাময়ী
প্ৰেৰণাৰ অপাৰ সাগৰ
হে দুধনৈ মহাবিদ্যালয়
সেয়েহে গালেও তোমাৰেই
জয় গান অবিৰাম
কোনোদিনেই যে নালাগে ভাগৰ।
উজ্বলাই ৰাখিম তোমাৰ নাম
জয় দুধনৈ মহাবিদ্যালয়
তোমাৰ নামত লিখিলো সেয়ে
সৰুকৈ কবিতা এটিকে মই।

# জ্ঞানদায়িনী

**ৰুমী ৰাভা**
স্নাতক দ্বিতীয় ষান্মাসিক (কলা

হে জ্ঞানদায়িনী দুধনৈ মহাবিদ্যালয়
তুমি অতি পৰিষ্কাৰ আৰু
প্ৰাকৃতিক সৌন্দৰ্য্যৰ আকৰ
তোমাৰ সৌন্দৰ্য্যৰ পৰশত
মন হয় উজ্বল
এইখন মহান ক্ষেত্ৰতে
আমালৈ অপেক্ষা কৰিছে
এক সুন্দৰ ভৱিষ্যতে
এনে ভাৱ হয়
ইয়াতেই আমি পাও যেন
ভৱিষ্যত জীৱনৰ বাবে
জৰুৰী শিক্ষা
তাৰ বাবে প্ৰভুৰ ওচৰত
কৰযোৰে কৰিছে
আশীৰ্বাদ ভিক্ষা।



# কলেজীয়া দিনবোৰ

**বিতুৰাজ ৰাভা**
উচতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা শাখা)

কলেজীয়া দিনবোৰ যে কেনেকৈ
ৰং-ধেমালি, সুখ-দুখেৰে
আৰু
কেতিয়াবা আনন্দেৰে পাৰ কৰি আছো
কলেজখনৰ মনোমোহা ৰূপ দেখিলেই
যেন হিয়াখনি শাঁত পৰি যায়
কেতিয়াবা চাৰ-মেডামৰ বুজনিয়ে
আমাক মুগ্ধ কৰে।
অনুভৱবোৰ কিবা সতেজ আৰু
জীয়া জীয়া হৈ পৰে।

বন্ধু-বান্ধৱী সকলোৱে যেন একোখন
ৰঙীন কিতাপৰ দৰে
সিহঁতৰ বহুমুখী প্ৰতিভাবোৰ কিতাপৰ
একোটা নতুন পৃষ্ঠাৰ দৰে
দুধনৈ কলেজখনেই মোৰ
অতি আদৰৰ, শ্ৰদ্ধাৰ জ্ঞানৰ আলয়
ইয়াতেই শিক্ষা আৰ্জি আগুৱাই যাম
উন্নতিৰ উচ্চ শিখৰলৈ।

# তুমি মহিমাময়ী

**কীৰ্ত্তিকমল ৰাভা**
স্নাতক চতুৰ্থ ষান্মাসিক (বিজ্ঞান শাখা)

নউজীয়া তোমাৰ চেহেৰা
ৰিওদিশে তোমাৰেই সৌন্দৰ্য্যৰ মহিমা
ৰুযৰ পোহৰে যেতিয়া তোমাক চানি ধৰে
তামাৰ অপৰূপ সৌন্দৰ্য্যই সকলোকে
মাহিত কৰি তোলে
তামাৰ সুন্দৰ পৰিৱেশে আনে
অধ্যয়নত একাগ্ৰতা
মিয়েই দান কৰা জীৱনৰ পূৰ্ণ মাদকতা
তামাৰ মনোলোভা ৰূপৰ
ই কোনো পৰিসীমা
কে জানিও আমি যেন কৰিব খোজো
য়াৰ জোখ-মাপ আৰু গণনা
মি দান কৰা প্ৰতিটো জ্ঞান যেন
কোখনি বাগ্‌দেৱীৰ বিগ্ৰহ
য়াক বুটলিবলৈ লাগে মাথো মনত আগ্ৰহ
কলোৱে জানে তোমাক দুধনৈ মহাবিদ্যালয় ৰূপে
তামাৰ সৌন্দৰ্য দেখি সকলোৰে মন
ল্লাসত উপচি পৰে
ক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী
কলোৰে ৰূপ যেন
মিয়েই প্ৰকাশ কৰিলা
ন, ধ্যান, মানকো যেন
মিয়েই বঢ়াই তুলিলা
মাৰ সৌন্দৰ্য্যৰ মহিমা অপৰিসীম
নো ইয়াক কাৰ সৈতে তুলনা কৰিম
কুৰো তোমাৰ সৌন্দৰ্য্য
য়েই অক্ষুন্ন থাকক
ৰ সুনাম চৌদিশে বিয়পি পৰক।



# মোৰ মন যায়

**নাজিমা ৰাভা**
স্নাতক চতুৰ্থ ষান্মাসিক (কলা শাখা)

মন যায় মোৰ
আমাৰ দুধনৈ মহাবিদ্যালয়লৈ আহিবলৈ
মন যায় মোৰ
শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰা
শিক্ষা গ্ৰহণ কৰিবলৈ
মন যায় মোৰ
মহাবিদ্যালয়খনিৰ মনোমোহা পৰিবেশ
নয়ন ভৰি চাবলৈ
মন যায় মোৰ
সেই পৰিবেশত পখিলাৰ দৰে
উৰি উৰি আনন্দ বৰিষণ কৰিবলৈ
মন যায় মোৰ
দূৰ দূৰণিৰ পৰা অহা
ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে
অন্তৰংগ আলাপ কৰিবলৈ
আৰু .....
বন্ধুত্বৰ এনাজৰীডাল যুগমীয়া কৰিবলৈ।

# তুমি

ছন্দা নাথ
স্নাতক পঞ্চম ষান্মাসিক (কলা শাখা)



তুমি,
নিয়ৰ হৈ ৰ'বা দুৱৰিৰ গাত
পোহৰ হৈ জিলিকিবা
মোৰ আন্ধাৰ নিশাত
কোনোবাই কয়
অতীতৰ স্মৃতিয়ে মন মতলীয়া কৰে
বিষাদ হ'লেও যেন আছে কিবা
মিঠা সেই ক্ষণত
কিন্তু,
ক'তা মোৰ ক্ষেত্ৰতচোন
সেয়া মিছাযেন লাগে
তুমি অবিহনে মোৰ প্ৰতিটো পল
অসহায় যেন লাগে
তোমাৰ অবৰ্ত্তমানে অতীতৰ সেই
মিঠা ক্ষণবোৰ পাহৰালে
বিষাদবোৰ নিয়ৰৰ দৰে
পাতৰ পৰা টোপাটোপে সৰালে
তথাপি,
নাজানো কিয়
তোমাক ভাল লাগে
অসীমৰ নীলাত যেন
তোমাৰ প্ৰতিচ্ছবি ভাঁহে !



# চিৰবিনন্দীয়া তুমি

হিমাদ্ৰী ৰাভা
স্নাতক চতুৰ্থ ষান্মাসিক (কলা)

তুমি চিৰসেউজ হৈ ৰোৱা
আৰু সকলোৰে মন সেউজ কৰি তোলা
তোমাৰ বিচ্ছুৰিত পোহৰৰ কিছু ৰশ্মি
পাবৰ কাৰণে আহিছো আমি
তোমাৰ সেউজ সুবাস পাবলৈ
বহু জাতি-জনগোষ্ঠী সন্মিলিত হৈছো
এই একেখনি মিলন ক্ষেত্ৰত।
তোমাৰ সেউজ পৰিবেশে ভুবন ভুলায়
নাম তোমাৰ দুধনৈ মহাবিদ্যালয়
পবিত্ৰ, উৎকৃষ্ট এই জ্ঞানৰ আলয়।
তোমাৰ প্ৰতি ভালপোৱা প্ৰকাশৰ
নাই যে মোৰ কোনো ভাষা
মাথো তুমি চিৰসেউজ
চিৰবিনন্দীয়া হৈ ৰোৱা
এয়াই মোৰ মনত অপাৰ আশা।



সম্পাদনা সমিতি ঃ দুধনৈ মহাবিদ্যালয় আলোচনী

বাওঁফালৰ পৰা ঃ দিলীপ হাজৰিকা (সদস্য), বুদ্ধিৰাজ বড়ো (সদস্য), ড° জীবেশ্বৰ কোচ (সদস্য), ড° ৰজত চন্দ্র ৰাভা (সদস্য), ড° গোপাল ফুকন (অধ্যক্ষ), ৰাহিদা বেগম (উপাধ্যক্ষা), ড° দিপালী ডেকা (তত্বাবধায়িকা), নৰেন দাস (সদস্য) আৰু প্রণৱ দত্ত (সম্পাদক)




দুধনৈ মহাবিদ্যালয় ছাত্র একতা সভা, ২০১৫-১৬ বর্ষ



দুধনৈ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু অধ্যক্ষ



দুধনৈ মহাবিদ্যালয় কাৰ্যালয়ৰ কৰ্মচাৰী আৰু অধ্যক্ষ



‘মহাবিদ্যালয় সপ্তাহত’ আলোচনী বিভাগৰ দ্বাৰা আয়োজিত ‘থিতাতে লিখা প্ৰবন্ধ, গল্প আৰু কবিতা প্ৰতিযোগিতা’ৰ এটি দৃশ্য






‘মহাবিদ্যালয় সপ্তাহ’ত আয়োজন কৰা সাংস্কৃতিক শোভাযাত্ৰাৰ একাংশ